**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 29-AUGUST-2026

**Time :** 09-00 AM

***Assamese Morning Bulletin***
***Headlines***

——————————————

১। নেপালৰ বিধবংসী বানত বৰ্তমানলৈকে মৃত্যু হোৱা লোকৰ সংখ্যা ৫৭৯লৈ বৃদ্ধি। অসমৰ ১০জন লোক এতিয়াও সন্ধানহীন।

২। মুখ্যমন্ত্ৰীৰ নিযুত মইনা আৰু নিযুত বাবু আঁচনিৰ বাবে ছাত্ৰ-ছাত্ৰীৰ আধাৰ নম্বৰ বাধ্যতামূলক বুলি উচ্চ শিক্ষা সঞ্চালকালয়ৰ নিৰ্দেশ জাৰি।

৩। ৩০০ কোটি টকা ব্যয়েৰে আমিনগাঁৱত নিৰ্মাণ কৰা ক্ৰিকেট ষ্টেডিয়াম ২০২৭ চনৰ ভিতৰত মুকলি কৰা হ'ব বুলি মুখ্যমন্ত্ৰীৰ ঘোষণা।

৪। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ দ্বিতীয়টো কাৰ্যকালৰ প্ৰথম ১০০ দিনত ৰাজ্যত ৩০০ কোটি টকাৰ ড্ৰাগছ ধ্বংস।

আৰু

৫। হাংগেৰীত অনুষ্ঠিত পি এছ এ বুডাপেষ্ট স্কোৱাচ অ'পেন প্ৰতিযোগিতাত ভাৰতৰ ভেলাভান চেন্থিলকুমাৰৰ খিতাপ দখল।

০০০০০০

নেপালৰ বিধবংসী বানৰ পাছত বৰ্তমানলৈকে ৮৪জন ভাৰতীয় লোকক উদ্ধাৰ কৰা হৈছে বুলি বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে প্ৰকাশ কৰিছে। ইয়াৰ ভিতৰত ত্ৰিশূলী জলবিদ্যুৎ প্ৰকল্পত কৰ্মৰত ৬৩জন লোক আৰু তামিলনাডুৰ ২১জন লোক আছে। এতিয়ালৈকে ৩২০জন ভাৰতীয় লোক সন্ধানহীন হৈ আছে বুলি মন্ত্ৰালয়ে জনাইছে। নেপালৰ বানত সন্ধানহীন হোৱা বুলি প্ৰকাশ পোৱা নলবাৰী জিলাৰ পংকজ বৰ্মন আৰু সমৰ বেজবৰুৱা নামৰ লোক দুজন সম্প্ৰতি নিৰাপদে আছে বুলি পৰিয়ালৰ সূত্ৰই প্ৰকাশ কৰিছে। অৱশ্যে এতিয়াও অসমৰ ১০ জন লোকৰ কোনো তথ্য পোৱা হোৱা নাই।

ইপিনে, আকস্মিক বানৰ সময়ত চীনৰ পৰা নেপালত ১৪৯ জন লোক সুৰক্ষিতভাৱে উপস্থিত হোৱাৰ তথ্য পোৱা গৈছে। চীনৰ ফালে প্ৰায় ৪০০জন ভাৰতীয় লোক সুৰক্ষিত অৱস্থাত আছে আৰু ভাৰতীয় দূতাবাসে তেওঁলোকক দেশলৈ ঘূৰাই অনাৰ বাবে কাম কৰি আছে।

ইপিনে, এই বিধবংসী বানত মৃত্যু হোৱা লোকৰ সংখ্যা ৫৭৯ লৈ বৃদ্ধি পাইছে। বানৰ পাছৰে পৰা নেপাল আৰু তীববতৰ সীমান্তৰ দুয়োপাৰে এহেজাৰ ৯২৪ জন লোক সন্ধানহীন হৈ আছে। উদ্ধাৰকাৰী দলসমূহে নদীৰ কাষে কাষে আৰু বিচ্ছিন্ন হৈ থকা অঞ্চলসমূহত উদ্ধাৰ অভিযান তীব্ৰতৰ কৰি তুলিছে। নেপালৰ ৰাষ্ট্ৰীয় দুৰ্যোগ আশংকা হ্ৰাস আৰু ব্যৱস্থাপনা প্ৰাধিকৰণৰ তথ্য অনুসৰি বৰ্তমানলৈকে ৫৭৯টা মৃতদেহ উদ্ধাৰ কৰা হৈছে আৰু ১০১জন আঘাতপ্ৰাপ্ত লোকৰ চিকিৎসা অব্যাহত আছে। সন্ধানহীন হৈ থকা

লোকসকলৰ ভিতৰত জলবিদ্যুৎ প্ৰকল্প, বিদেশী নাগৰিক, অসামৰিক লোক, নিৰাপত্তা বাহিনী আৰু চৰকাৰৰ লোক আছে। জলবিদ্যুৎ প্ৰকল্পৰ পৰা প্ৰায় ৯৩৩জন লোক সন্ধানহীন হৈ থকা বুলি জানিব পৰা গৈছে।

ইপিনে, ভাৰতে মানৱীয় সাহায্য হিচাপে কালি কাঠমাণ্ডুলৈ তৃতীয়খন বিমানেৰে ১০ টন সাহায্য সামগ্ৰী প্ৰেৰণ কৰে। বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ জয়শংকৰে প্ৰকাশ কৰা মতে সাহায্য সামগ্ৰীৰ ভিতৰত পোৰ্টেবল জেনেৰেটৰ, খাদ্যৰ টোপোলা, পানী পৰিশোধন টেবলেট আদি আছে।

বিদেশ মন্ত্ৰালয়ে নিখোজ হৈ থকা লোকসকলক বিচাৰি উলিওৱা আৰু উদ্ধাৰ অভিযানত সহায় কৰাৰ উদ্দেশ্যে অহৰ্নিশে খোলা থকা এটা নিয়ন্ত্ৰণ কক্ষ মুকলি কৰিছে।

০০০০০০

মুখ্যমন্ত্ৰীৰ নিযুত মইনা আৰু নিযুত বাবু আঁচনিৰ বাবে ছাত্ৰ-ছাত্ৰীৰ আধাৰ নম্বৰ বাধ্যতামূলক কৰা হৈছে। অসম চৰকাৰৰ উচ্চ শিক্ষা সঞ্চালকালয়ে এই সন্দৰ্ভত এটা নিৰ্দেশ জাৰি কৰিছে। অৱশ্যে ১৮ বছৰ অনুৰ্ধৰ ছাত্ৰ-ছাত্ৰীৰ ক্ষেত্ৰত নতুনকৈ আধাৰ কাৰ্ড প্ৰদান ব্যৱস্থা ৰাজ্য চৰকাৰে বন্ধ ৰখাৰ পৰিপ্ৰেক্ষিতত উচ্চ শিক্ষা সঞ্চালকালয়ে বিশেষ প্ৰক্ৰিয়াৰ মাজেৰে এই আঁচনিৰ বাবে ছাত্ৰ-ছাত্ৰীসকলক আধাৰ কাৰ্ড প্ৰদানৰ ব্যৱস্থা গ্ৰহণ কৰিছে। এই সন্দৰ্ভত নিৰ্দেশটোত উল্লেখ কৰা অনুসৰি আধাৰ কাৰ্ড নথকা শিক্ষাৰ্থীসকলৰ যাৱতীয় তথ্যসমূহ শিক্ষানুষ্ঠানৰ মুৰববীয়ে জিলা আয়ুক্তৰ কাৰ্যালয়লৈ প্ৰেৰণ কৰিব লাগিব। এনেদৰে আধাৰ কাৰ্ড লাভ কৰাৰ পাছতহে ছাত্ৰ-ছাত্ৰীসকলে নিযুত মইনা আৰু নিযুত বাবু আঁচনিৰ বাবে আবেদন কৰিব পাৰিব বুলি নিৰ্দেশটোত উল্লেখ কৰা হৈছে।

০০০০০০

গুৱাহাটী মহানগৰক অচিৰেই দেশৰ ভিতৰতে আটাইতকৈ বেছি ক্ৰীড়া সুবিধা থকা মহানগৰ হিচাপে গঢ়ি তোলাৰ অংশ হিচাপে অসম ক্ৰীড়া প্ৰাধিকৰণ, ভাৰতীয় ক্ৰীড়া প্ৰাধিকৰণ আৰু ভাৰতীয় বেডমিণ্টন সংস্থাৰ মাজত বুজাবুজিৰ চুক্তি স্বাক্ষৰ কৰা হৈছে। তদুপৰি চলিত বৰ্ষতে সৰুসজাই ষ্টেডিয়ামক সুন্দৰকৈ সজাই তোলাৰ বাবে আঁচনি গ্ৰহণ কৰা হ'ব। আমিনগাঁৱত কালি ৰাষ্ট্ৰীয় সাঁতোৰ উৎকৰ্ষ কেন্দ্ৰ মুকলি কৰি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এই কথা ঘোষণা কৰে। ৰাষ্ট্ৰীয় ক্ৰীড়া দিৱসৰ প্ৰাকক্ষণত অত্যাধুনিক সুবিধাযুক্ত এই কেন্দ্ৰটো উদ্বোধন কৰিবলৈ পাই ড° শৰ্মাই আনন্দ প্ৰকাশ কৰে। কিছুদিনৰ ভিতৰতে আমিনগাঁৱত এখন ক্ৰিকেট ষ্টেডিয়ামৰ নিৰ্মাণো সম্পূৰ্ণ হ'ব বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয়, যে ৰাজ্য চৰকাৰে ৩০০ কোটি টকা ব্যয়েৰে নিৰ্মাণ কৰা এই ষ্টেডিয়ামখন ২০২৭ চনত মুকলি কৰা হ'ব। অঞ্চলটোত ক্ৰীড়াৰ ক্ষেত্ৰত সকলোধৰণৰ সুবিধা উপলব্ধ কৰাব পৰাকৈ যাৱতীয় ব্যৱস্থা লোৱা হৈছে বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে।

**বাইট (চি এম)**

উল্লেখযোগ্য যে প্ৰায় ৫০ কোটি টকা ব্যয়েৰে নিৰ্মাণ কৰা এই কেন্দ্ৰটোত ৫০ মিটাৰ দৈৰ্ঘ্যৰ ৯টা লেনযুক্ত মূল প্ৰতিযোগিতামূলক পুল আৰু ৫ মিটাৰ গভীৰতাৰ ডাইভিং পুল আছে। তদুপৰি এহেজাৰ ৩০৯ খন আসনবিশিষ্ট দৰ্শক গেলাৰীৰ সুবিধাযুক্ত কেন্দ্ৰটোত ৩০ গৰাকী এথলীটৰ প্ৰশিক্ষণৰ সুবিধা থাকিব।

০০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি শ্বিলঙত থকা আছাম ৰেজিমেণ্টৰ কেন্দ্ৰ পৰিদৰ্শন কৰিব। মুখ্যমন্ত্ৰীগৰাকীয়ে যুদ্ধ স্মাৰক ক্ষেত্ৰত উপস্থিত হৈ শ্বহীদ সকলৰ প্ৰতি শ্ৰদ্ধাঞ্জলি তৰ্পন কৰাৰ লগতে যুদ্ধ

অনুশীলন প্রত্যক্ষ কৰিব। তদুপৰি ড০ শৰ্মাই অগ্নিবীৰ সকল আৰু তেওঁলোকৰ পৰিয়ালবৰ্গৰ সৈতে মত বিনিময় কৰিব।

০০০০০০

আজি ৰাষ্ট্ৰীয় ক্ৰীড়া দিৱস। কিংবদন্তি হকী খেলুৱৈ মেজৰ ধ্যানচন্দৰ জন্মবাৰ্ষিকীৰ লগত সংগতি ৰাখি প্ৰতি বছৰে ২৯ আগষ্টত এই দিৱস পালন কৰা হয়। এই দিনটোৱে ৰাষ্ট্ৰীয় জীৱনত ক্ৰীড়াৰ মূল্যক স্বীকৃতি দিয়াৰ লগতে সুস্বাস্থ্য, নিয়মানুৱৰ্তিতা, দলীয়ভাৱে কাম কৰা আৰু এথলেটিক উৎকৃষ্টতাত আলোকপাত কৰে। ৰাষ্ট্ৰীয় ক্ৰীড়া দিৱস উপলক্ষে এয়া আমাৰ বিশেষ প্ৰতিবেদন -

*(প্ৰতিবেদন)*

০০০০০০০

ৰাজ্য চৰকাৰে শেহতীয়াকৈ ড্ৰাগছৰ বিৰুদ্ধে অভিযান তীব্ৰ কৰি তুলিছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ দ্বিতীয়টো কাৰ্যকালৰ প্ৰথম ১০০ দিনত ৰাজ্যত ৩০০ কোটি টকাৰ ড্ৰাগছ্ ধবংস কৰা হৈছে। মুখ্যমন্ত্ৰী ড০ শৰ্মাই সামাজিক মাধ্যমযোগে প্ৰকাশ কৰা মতে নলবাৰী জিলাৰ দৌলাশালত ৰাজ্যৰ প্ৰথমটো অত্যাধুনিক নিৰ্দিষ্ট নিচাযুক্ত দ্ৰব্য জ্বলাই নষ্ট কৰা যন্ত্ৰৰ সহায়ত এই বৃহৎ পৰিমাণৰ ড্ৰাগছ ধবংস কৰা হয়। এই যন্ত্ৰটোৰ জৰিয়তে পৰিবেশ প্ৰদূষণ নোহোৱাকৈ বৈজ্ঞানিক পদ্ধতিৰে ড্ৰাগছখিনি জ্বলোৱা হয় বুলিও তেওঁ কয়। ৰাজ্য চৰকাৰে জব্দ, গ্ৰেপ্তাৰ, ড্ৰাগছ নেটৱৰ্ক ধবংস -এই তিনিটা বাৰ্তাৰে ড্ৰাগছৰ বিৰুদ্ধে অভিযান চলোৱাৰ কথাও তেওঁ সদৰি কৰিছে। মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰা তথ্য অনুসৰি বিগত ১০ দিনৰ ৰাজ্যত ৯খন জিলাত চলোৱা বিশেষ অভিযানত ৪৭২ কোটি ৫১ লাখ টকা মূল্যৰ ড্ৰাগছ্ জব্দ কৰাত আৰক্ষী সফল হয়। ড০ হিমন্ত বিশ্ব শৰ্মাৰ দ্বিতীয়টো কাৰ্যকালৰ প্ৰথম ১০০ দিনত ১ কোটিতকৈ অধিক গছপুলি ৰোপণ কৰা হৈছে বুলিও মুখ্যমন্ত্ৰীয়ে সামাজিক মাধ্যমযোগে প্ৰকাশ কৰিছে। গছপুলি ৰোপণ কাৰ্যসূচীত ৰাজ্যৰ ৩৫ লাখৰো অধিক আত্মসহায়ক গোটৰ সদস্যাই অংশগ্ৰহণ কৰা বুলিও ড০ শৰ্মাই প্ৰকাশ কৰিছে।

০০০০০০

জলসম্পদ মন্ত্ৰী সুশান্ত বৰগোঁহাইয়ে কালি বোকাখাতৰ ভাটি শিঙাদৰিয়া অঞ্চল পৰিদৰ্শন কৰি ধনশিৰি নৈৰ খহনীয়াৰ বুজ লয়। পৰিদৰ্শনৰ অন্তত মন্ত্ৰীগৰাকীয়ে জলসম্পদ বিভাগৰ জৰিয়তে ধনশিৰি নৈৰ খহনীয়া প্ৰতিৰোধ কৰাৰ বাবে গ্ৰহণ কৰা আঁচনি সন্দৰ্ভত ৰাইজক অৱগত কৰে। মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰা মতে ধনশিৰি নৈৰ খহনীয়া প্ৰতিৰোধৰ বাবে ইতিমধ্যে বিভাগে আঁচনিৰ প্ৰাক্কলন প্ৰস্তুত কৰিছে। তদুপৰি বিশ্ব বেংকৰ অৰ্থসাহায্যৰ জৰিয়তে ৰাজ্য চৰকাৰে নৈখনৰ বান প্ৰতিৰোধৰ বাবে বৃহৎ প্ৰকল্প গ্ৰহণ কৰাৰ কথাও তেওঁ উল্লেখ কৰে। শ্ৰীবৰগোঁহাইয়ে কয় যে ধনশিৰি নৈৰ বান ৰোধৰ বাবে চৰকাৰে নাগালেণ্ডৰ পৰা ব্ৰহ্মপুত্ৰত নৈখন সংযোগ হোৱা স্থানলৈকে বৃহৎ প্ৰকল্প গ্ৰহণ কৰিছে। প্ৰায় ৪০০ কোটি টকাৰ এই প্ৰকল্পৰ জৰিয়তে ধনশিৰি নৈৰ উপনৈসমূহকো সামৰি লোৱা হ'ব বুলি তেওঁ কয়। এই বৃহৎ প্ৰকল্পৰ কাম সম্পূৰ্ণ হৈ উঠিলে নৈপৰীয়া ৰাইজৰ বান সমস্যা সমাধান হ'ব বুলি মন্ত্ৰীগৰাকীয়ে আশা প্ৰকাশ কৰে।

বাইট (সুশান্ত)

০০০০০০

ৰাজ্যৰ শিক্ষক-কৰ্মচাৰীসকলৰ বাবে মাধ্যমিক শিক্ষা সঞ্চালকালয়ে পিতৃ-মাতৃ বন্দনাৰ বিশেষ ছুটি মঞ্জুৰ কৰিছে। সেই অনুসৰি আজি আৰু পৰহিলৈ শিক্ষক-কৰ্মচাৰীসকলে এই সুবিধা লাভ কৰিব। মাধ্যমিক

শিক্ষা সঞ্চালকালয়ে ৰাজ্যৰ বিদ্যালয় পৰিদৰ্শকক এই বিষয়ত ব্যৱস্থা গ্ৰহণৰ বাবে নিৰ্দেশ জাৰি কৰিছে। যোৱা বিধানসভাৰ বাজেট অধিবেশনৰ বাবে যিসকল শিক্ষক-কৰ্মচাৰীয়ে পিতৃ-মাতৃ বন্দনাৰ বিশেষ নৈমিত্তিক ছুটি লাভৰ পৰা বঞ্চিত হৈছিল তেওঁলোকে আজি আৰু পৰহিলৈ সেই বিশেষ ছুটিৰ সুবিধা লাভ কৰিব। পূৰ্বে ৰাজ্য চৰকাৰৰ শিক্ষক-কৰ্মচাৰীৰ বাবে ৯ আৰু ১২ জুলাইত আৰু ২৩ আৰু ২৬ জুলাইত বিশেষ ছুটি মঞ্জুৰ কৰা হৈছিল।

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ দিনৰ ১১ বজাত আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ জৰিয়তে দেশ-বিদেশৰ জনসাধাৰণৰ আগত মনৰ ভাব ব্যক্ত কৰিব। এয়া হ'ব অনুষ্ঠানটোৰ ১৩৭ সংখ্যক খণ্ড।

এই অনুষ্ঠান আকাশবাণী-দূৰদৰ্শনৰ আটাইবোৰ নেটৱৰ্কৰ উপৰি আকাশবাণীৰ ৱেৱছাইট আৰু newsonair মোবাইল এপৰ জৰিয়তে শুনিবলৈ পোৱা যাব। প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়, তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়, আকাশবাণী আৰু দূৰদৰ্শনৰ ইউটিউব চেনেল যোগেও এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। আকাশবাণীয়ে অনুষ্ঠানটো প্ৰচাৰ হোৱাৰ ঠিক পাছতেই ইয়াৰ আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰিব।

০০০০০০

ভাৰতৰ ভেলাভান চেন্থিলকুমাৰে হাংগেৰীত অনুষ্ঠিত পি এছ এ বুডাপেষ্ট স্কোৱাছ অ'পেন প্ৰতিযোগিতাৰ খিতাপ দখল কৰিছে। চেন্থিলকুমাৰে ফাইনেলত আয়োজক দেশখনৰ বালাজছ ফাৰ্কাছক ৩-০ ফলাফলত পৰাস্ত কৰে। ভাৰতীয় খেলুৱৈগৰাকীয়ে প্ৰতিযোগিতাৰ কোৱাৰ্টাৰ ফাইনেলত বিশ্বক্ৰমৰ অষ্টাদশ স্থানৰ আৰু এছিয়ান গেমছৰ স্বৰ্ণ পদক বিজয়ী ইয়ান ইয়' এন্ জিক ৩-০ ফলাফলত পৰাস্ত কৰিছিল। চেমি ফাইনেলত চেন্থিলকুমাৰ সতীৰ্থ খেলুৱৈ বীৰ চোট্ৰানীৰ বিৰুদ্ধে ৩-২ ফলাফলত বিজয়ী হৈছিল।

০০০০০০

আজি গুৱাহাটীৰ পৰা প্ৰকাশিত আটাইকেইখন কাকতেই নেপালৰ জলপ্ৰলয়ৰ সৈতে জড়িত বিভিন্ন বাতৰি প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। আমাৰ অসম কাকতে এই বাতৰিক নেপালত গণসৎকাৰৰ প্ৰস্তুতি, পুনৰ জলবিস্ফোৰণৰ আশংকা শিৰোনামেৰে প্ৰকাশ কৰিছে।

দৈনিক অগ্ৰদূত কাকতে নেপালত অসমৰ ১০জন লোক সন্ধানহীন হৈ থকাৰ বাতৰিটো মুখ্য বাতৰিৰূপে প্ৰকাশ কৰিছে। আকৌ নেপালত এই পৰ্যন্ত ৩২০গৰাকী ভাৰতীয় লোক সন্ধানহীন হৈ থকা বাতৰিটো দি আছাম ট্ৰিবিউন কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

অসমীয়া প্ৰতিদিন কাকতে বানৰ বাতৰিক প্ৰথম পৃষ্ঠাত স্থান দিয়াৰ লগতে ৰাজ্যৰ সাম্প্ৰতিক আৰ্থিক অৱস্থা সন্দৰ্ভত এটা বাতৰিক ১ ছেপ্টেম্বৰত চৰকাৰে ল'ব এহেজাৰ কোটিৰ ঋণ শিৰোনামেৰে এটা বাতৰিক মুখ্য বাতৰিৰূপে পৰিৱেশন কৰিছে। একেটা বাতৰিক দৈনিক অসম কাকতেও প্ৰথম পৃষ্ঠাত স্থান দিছে।

নিয়মীয়া বাৰ্তা কাকতে ২৭ অক্টোবৰৰ পৰা গুৱাহাটী-বেংকক বিমানসেৱা আৰম্ভ হ'ব বুলি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমৰ জৰিয়তে ঘোষণা কৰাৰ বাতৰিটোক গুৰুত্বসহকাৰে প্ৰকাশ কৰিছে।

অসমত নিযুক্তি প্ৰক্ৰিয়াৰ পুনৰ পাতনি মেলি ৰাজ্য চৰকাৰে পশুপালন বিভাগত ২০০ টা পদৰ নিযুক্তিৰ বিজ্ঞাপন প্ৰকাশ কৰাৰ বাতৰিটোক দৈনিক জনমভূমি কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

ইপিনে, কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত ২০১৬ চনত চলোৱা উচ্ছেদ অভিযানৰ বিৰোধিতা আৰু প্ৰক্ৰিয়াত বাধা দিয়াৰ অভিযোগৰ গোচৰৰ পৰা বিধায়ক অখিল গগৈক কলিয়াবৰ মহকুমা ন্যায়িক দণ্ডাধীশৰ আদালতে ৰেহাই দিয়াৰ বাতৰিটোক অসমীয়া খবৰ কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

উজনি অসমৰ শেহতীয়া বানৰ সময়ত আৰু বানৰ পাছত সমন্বিত দলীয় প্ৰচেষ্টাৰে সাপে খোঁটা ২৪৯ গৰাকী লোকক সুস্থ কৰি তোলাৰ এটা বাতৰিক দা চেণ্টিনেল কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

০০০০০০

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ ডাৱৰীয়া হৈ থকাৰ লগতে দুই-এজাক বৰষুণ অহাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩৪ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ২৭ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অসম, অৰুণাচল প্ৰদেশ, মেঘালয়, নাগালেণ্ড, মিজোৰাম, ত্ৰিপুৰা আৰু মণিপুৰৰ ঠাই বিশেষে পাতলীয়াৰ পৰা মজলীয়া বৰষুণ অহাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

০০০০০০

**সমাপ্ত**